**পদৰ গৰিমা আৰু সন্মান ৰক্ষাৰ বাবে অধ্যক্ষ গাংগুলীয়ে পদত্যাগ কৰক**

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা**

**দিনাংক - ১৬ ডিচেম্বৰ ২০১৩**

উচ্চতম ন্যায়লয়ৰ ভূতপুৰ্ব ন্যায়াধীশ অশোক কুমাৰ গাংগুলীয়ে এগৰাকী যুৱতী ইন্টাৰ্ণক নিৰ্যাতন কৰা কাণ্ডত জড়িত থকাৰ অভিযোগ অনা বিষয়ত দা ইণ্ডিয়ান এক্সপ্ৰেছ কাকতে আজি এক বিস্তৃত প্ৰতিবেদন কৰিছে । এইয়া যদি কেৱল অভিযোগ হ'লহেতেন তেতিয়া ন্যায়ধীশ গাংগুলীয়ে ক'লেহেতেন যে আইনে নিজৰ কাম কৰিব আৰু দোষী সাব্যস্ত হোৱাৰ পাছত মই পদত্যাগ কৰিম, কিন্তু কেচ কিছু ভিন্ন ৰূপতহে দেখা গৈছে ।

ভাৰতৰ মুখ্য ন্যায়ধীশে ৩ জনীয়া ন্যায়ধীশক নিয়োগ কৰি এই কাণ্ডৰ অনুসন্ধান কৰিব'লৈ দিছিল । ন্যায়ধীশ গাংগুলী আৰু সেইগৰাকী ইন্টাৰ্নে নিজৰ নিজৰ কথা সেই ৩ জন ন্যায়ধীশৰ ওচৰত ব্যক্ত কৰিছে । সংবাদ মাধ্যমৰ প্ৰতিবেদন অনুসৰি তেওঁলোকে ইন্টাৰ্ন অভিযোগত বহুতো তথ্য লাভ কৰিছে । সেইবাবে এইয়া কেৱল পৰীক্ষাবিহীন অভিযোগ নহয়, ৩ জন ন্যায়ধীশৰ প্ৰতিবেদনৰ ভিত্তিত ক'ব পাৰি যে সচাঁকৈয়ে কাণ্ড সংঘটিত হৈছে ।

যিহেতু এই কাণ্ডত জড়িত ন্যায়ধীশ গাংগুলী এজন উচ্চতম ন্যায়লয়ৰ ভূতপূৰ্ব ন্যায়ধীশ আৰু এতিয়া পশ্চিমবংগৰ মানৱ অধিকাৰ সংগঠনৰ সভাপতি, সেইবাবে তেওঁ সন্দেহৰ উৰ্দ্ধত । আজি তেওঁ এজন অমানৱীয় কাৰ্য্যত লিপ্ত থকা সন্দেহজনক ব্যক্তি, এতিয়াও তেওঁ পদ চম্ভালি থকা কথাষাৰে বহুতো প্ৰশ্ন উত্থাপন কৰে । প্ৰথমে, যদি এই অভিযোগ এজন ৰাজনৈতিকৰ বিৰুদ্ধে হ'লহেতেন তেন্তে ন্যায়পালিকাই ইয়াৰ পৰা হাত সাৰিব পাৰিলেহেতেঁন নে অথবা তেওঁ অনুসন্ধান কৰিলেহেতেঁন নে ? যিহেতু এই কাণ্ডত উচ্চতম ন্যায়লয়ৰ ভূতপূৰ্ব ন্যায়ধীশ জড়িত সেইবাবে অনুসন্ধানৰ সীমা উচ্চ হ'ব লাগে । দ্বিতীয়তে, ইমান গম্ভীৰ অভিযোগৰ পাছত তেওঁ পশ্চিমবংগৰ মানৱ অধিকাৰ সংগঠনৰ কাৰ্য্যভাৰ চলাই নিব পাৰে নে ? তৃতীয়তে, তেওঁ এজন ভূতপূৰ্ব ন্যায়্ধীশ হিচাপেই নহয় আনকি সাধাৰণ ব্যক্তি হিচাপেও এই অভিযোগৰ বাবে যুক্তি দৰ্শাব লগাতো উচিত নহ'বনে ? । যদি তেওঁ পদত্যাগ কৰে, তেন্তে তেওঁ পদৰ গৰিমা ৰক্ষা কৰিব । তেওঁ কাৰ্য্যভাৰ চলাই ৰখাৰ কথাষাৰে ইয়াকে প্ৰমাণিত কৰে যে ন্যায়ধীশো ৰাজনৈতিকৰ দ্বৰে তেতিয়ালৈকে পদত থকিব পাৰে যেতিয়ালৈকে জনসাধাৰণৰ বিৰোধিতাত হেচাঁ বৃদ্ধি হৈ তেওঁক উলিয়াই নপথায় ।